# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## <u>HEADLINES</u>

ooooo

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২গৰাকী মন্ত্ৰীৰ আজি শপতগ্ৰহণ।
২। লোকসভা ভৱনত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন পূৰ্ণাংগ মন্ত্ৰীসভাৰ বৈঠক।
৩। বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণ। ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচীৰ আয়োজন।
৪। সীমা সুৰক্ষা অধিক শক্তিশালী কৰাৰ বাবে স্মাৰ্ট ব'ৰ্ডাৰৰ কাম অন্তিম পৰ্যায়ত উপনীত হোৱা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

*আৰু*

৫। সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ২৮ জুনত পলিঅ' দিৱসৰ প্ৰস্তুতি।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীয়ে আজি শপতগ্ৰহণ কৰে। ইয়াৰে ১১ গৰাকী বিজেপিৰ আৰু এগৰাকী অসম গণ পৰিষদৰ। সম্প্ৰসাৰিত মন্ত্ৰীসভাত গোলকগঞ্জৰ অশ্বিনী ৰয় সৰকাৰ, ঢেকিয়াজুলিৰ অশোক সিংহল, টিংখাঙৰ বিমল বৰা, তামুলপুৰৰ বিশ্বজিৎ দৈমাৰী, নলবাৰীৰৰ জয়ন্ত মল্ল বৰুৱা, লক্ষীপুৰৰ কৌশিক ৰায়, কলিয়াবৰৰ বিধায়ক কেশৱ মহন্ত, পাথাৰকান্দিৰ কৃষ্ণেন্দু পাল, মঙলদৈৰ নীলিমা দেৱী, জাগীৰোডৰ পীযুষ হাজৰিকা, ধেমাজিৰ ডাঃ ৰণোজ পেগু আৰু ডিমৌৰ সুশান্ত বৰগোঁহাইয়ে শপতগ্ৰহণ কৰে। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত এন ডি এ মিত্ৰজোঁটৰ মন্ত্ৰী-বিধায়ক তথা দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে। শপতগ্ৰহণৰ পাছতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সংবাদ মাধ্যমৰ আগতে এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

***-বাইট-***

মন্ত্ৰী হিচাপে শপত লোৱাৰ পাছত প্ৰাক্তন অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও নতুন দায়িত্ব লৈ আৰু অধিক সক্ৰিয়তাৰে কাম কৰিব লাগিব বুলি প্ৰকাশ কৰে।

***-বাইট-***

oooooo

দিছপুৰ লোকসেৱা ভৱনত আজি প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীয়ে শপতগ্ৰহণৰ কৰাৰ পাছতেই হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠন হোৱা চৰকাৰখনৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হয়। লোকসেৱা ভৱনত মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি সকলো মন্ত্ৰী উপস্থিত আছে। হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত দ্বিতীয়বাৰলৈ

চৰকাৰ গঠন কৰাৰ পাছতেই এইখনেই প্ৰথমখন পূৰ্ণাংগ মন্ত্ৰীসভাৰ বৈঠক। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই সংবাদমাধ্যমকো সম্বোধন কৰাৰ সম্ভাৱনা।

০০০০০

উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৰূপায়িত চৰকাৰী আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। এই সন্দৰ্ভত উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা বিশ্ববিদ্যালয়সমূহৰ পঞ্জীয়ক আৰু মহাবিদ্যালয়সমূহৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি মাচুল ৰেহাই আঁচনি, মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰী নিযুত বাবু আচনিৰ সুবিধা লাভ কৰাৰ বাবে শিক্ষাৰ্থীৰ আধাৰ কাৰ্ড আৰু আধাৰৰ সৈতে সংযুক্ত বেংক একাউণ্ট বাধ্যতামূলক কৰা হৈছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীৰ বৈধ আধাৰকাৰ্ড সম্পৰ্কীয় তথ্য সমৰ্থ প'ৰ্টেলৰ অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে। আনহাতে আধাৰ কাৰ্ড নথকা ছাত্ৰ-ছাত্ৰীসকলৰ আধাৰ কাৰ্ড শীঘ্ৰেই প্ৰস্তুত হোৱাটো নিশ্চিত কৰিবলৈকো শিক্ষা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০

ডিব্ৰুগড়ৰ মাইজানৰ এইচ এম ৰিজৰ্টত আজি প্ৰাৰম্ভ-২০২৬ৰ অধীনত আয়কৰ আইন, ২০২৫ সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত কৰদাতা, অংশীদাৰ, ব্যৱসায়ী ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনতাক আয়কৰ আইন, ২০২৫ সন্দৰ্ভত সবিশেষ জনোৱা হয়। এই সভাত ভাৰতীয় ৰাজহ সেৱাৰ আয়কৰ বিভাগৰ মুখ্য আয়ুক্ত দেৱ কুমাৰ সোণোৱালে, ডিব্ৰুগড়ৰ মুখ্য আয়ুক্ত কে মেঘনাথ চৌহান, যুটীয়া আয়কৰ আয়ুক্ত মৃত্যুঞ্জয় ঘোষ, আয়কৰ আয়ুক্ত অমিতাভ ভট্টাচাৰ্য, দ্বীপজয় দাস, দীপক জগন্নাথ কুমাৰ ৰাজনীশ কুমাৰ আৰু প্ৰাঞ্জল চুতীয়া উপস্থিত থাকে।

০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ বাবে ইতিবাচক পৰিৱেশ সম্পৰ্কীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে  বিশ্বজুৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে প্ৰতি বছৰে আজিৰ এই দিনটোত এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এইবাৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'প্ৰকৃতিৰ পৰা অনুপ্ৰেৰণা লাভ। আমাৰ জলবায়ু আৰু আমাৰ ভৱিষ্যতৰ বাবে'।

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণ কৰা হয়। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাই  এই অভিযানত অংশ লয়। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশৰ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰে।

সমগ্ৰ শিক্ষা অসমৰ অধীনত বিশ্ব পৰিবেশ দিৱস উপলক্ষে  কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই অনুসৰি আজিৰে পৰা ৩০ জুনলৈ ইকো ক্লাব্‌ছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰৰ আয়োজন কৰা হয়। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হয়। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২টা গছপুলি ৰোপণ কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ উদ্যোগত মৰিগাঁৱৰ পি এম শ্ৰীভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস অনুষ্ঠানৰ আয়োজন কৰা হয়। গছপুলি ৰোপনেৰে আৰম্ভ হোৱা অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধৰ, কাৰ্যবাহী বিষয়া ইন্দ্ৰজিৎ দাস উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে ভাষণ প্ৰদান কৰে। বিদ্যালয়খনত বিশ্ব পৰিৱেশ দিৱস উপযাপন কৰাৰ বাবে অধ্যক্ষ অঞ্জুমণি শইকীয়াই আকাশবাণী গুৱাহাটীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আজি বজালী জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পাঠশালাত জুবিন ফেন ক্লাবৰ উদ্যোগত আৰু বজালী ডান্স একাডেমীৰ সহযোগত গছপুলি ৰোপন আৰু পৰিৱেশ সজাগতা কাৰ্যসূচী

অনুষ্ঠিত হয়। শিৱসাগৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত গছপুলি বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত গছ পুলি ৰোপণৰ লগতে ডিব্ৰুগড় জিলা সাংবাদিক সন্থা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ উদ্যোগত ছুক্যাফা সমন্বয় ক্ষেত্ৰত ১০০ জোপা নাহৰৰ পুলি আৰু ভিন্ন গছপুলি ৰোপণ কৰা হয়। বিশ্ব পৰিৱেশ দিৱশ উপলক্ষে আজি ধেমাজি জিলাৰ ভিন্ন প্ৰান্ততো গছপুলি ৰোপণেৰে এই দিৱস উপযাপন কৰা হয়। ছেভ পবা ৰেইন ফৰেষ্টৰ উদ্যোগত আজি চিৰাং প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপণ আৰু সজাগতামূলক মুকলি সভা অনুষ্ঠিত কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাতো জিলা প্ৰশাসনে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ডেৰ লাখ গছপুলি ৰোপণ কৰা হয় আৰু সজাগতা সভাত এবাৰ ব্যৱহাৰ কৰি পেলাই দিয়া পলিথিন বৰ্জন কৰিবলৈ  আহ্বান জনায়। শোণিতপুৰ জিলাত বালিপাৰা সংৰক্ষিত বনাঞ্চলত এক বৃহৎ বণানিকৰণ আৰু পৰিৱেশ সংৰক্ষণ কাৰ্যসূচীৰো আয়োজন কৰা হয়। জিলা প্ৰশাসন, বন বিভাগ, বালিপাৰা ফাউণ্ডেছন আৰু আত্মসহায়ক গোটসমূহৰ উদ্যোগত এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ইক টাস্ক ফ'ৰ্চ নামনিৰ প্ৰচেষ্টাত ছটাই নদী বালিপাৰা সংৰক্ষিত বনাঞ্চলত ইতিপূৰ্বে ১৩ লাখতকৈ অধিক গছপুলি ৰোপন কৰা হৈছে। আজি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বনাঞ্চলখনত এহেজাৰ ১০০টা থলুৱা প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। এই বণানিকৰণ কাৰ্যসূচীৰ জৰিয়তে প্ৰায় ৮ হাজাৰ হেক্টৰ বনভূমি পুনৰ উদ্ধাৰৰ পৰিকল্পনা কৰা হৈছে। বৰপেটা জিলাত চৰকাৰী, বে-চৰকাৰী সংস্থা, সংগঠনৰ উদ্যোগত জিলাখনৰ বিভিন্ন স্থানত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়ৰ লগতে শিক্ষানুষ্ঠানসমূহ তো গছপুলি ৰোপণ কৰা হয়। বৰপেটা সত্ৰতো সত্ৰীয়া আৰু ভকতে সত্ৰৰ চৌহদত গছপুলি ৰোপণ কৰে। ইয়াৰ উপৰিও বৰপেটাৰ কেইবাটাও স্বেচ্ছাসেৱী সংগঠনে ৰাইজৰ মাজত গছ পুলি বিতৰণ কৰে। যোৰহাট জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কৰা হয়। লখিমপুৰ জিলাত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বীৰ লাচিত সেনা অসম লখিমপুৰ জিলা সমিতিৰ উদ্যোগত কেইবাটাও স্থানত গছপুলি ৰোপণ কৰে।  চিৰাং জিলাত চিৰাং বন সংমণ্ডলৰ অধীনৰ ৰুণীখাটা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত চিকনা জোহৌলাও ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এই কাৰ্যসূচীত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত ছেভ নেছাৰ, ছেভ লাইভ শীৰ্ষক সচেতনতামূলক মুকাভিনয়  অনুষ্ঠান অনুষ্ঠিত কৰে। টীম নিৰ্বাকৰ মুকাভিনয়ৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ, গছ-গছনি ৰোপন, প্ৰদূষণ নিয়ন্ত্ৰণ আৰু প্ৰকৃতি সুৰক্ষাৰ গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰদানৰ চেষ্টা কৰে। আৰ জি বৰুৱা মহাবিদ্যালয় আৰু সদৌ অসম উকীল সন্থা কাৰ্যালয়ত চৌহদত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে  গছপুলি ৰোপণ কৰা হয়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আমগুৰি বাগান এলেকাত আজি বন বাঁহ ৰোপণ কৰে। ইপিনে  কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষণ ক্ষেত্ৰই পৰিৱেশ দিৱসৰ ইতিবাচক চিন্তা হিচাপে স্থানীয় ইক'ছপক এমাজন আৰু চৰকাৰী ই-বজাৰ অৰ্থাৎ জি ই এম ডিজিটেল প্লেটফৰ্মত মুকলি কৰিছে। ইয়াৰ জৰিয়তে স্থানীয় মহিলাসকলে প্ৰস্তুত কৰা জৈৱ বৈচিত্ৰ্যভিত্তিক সামগ্ৰী সমূহক দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ প্ৰদানৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে, উদ্যান কৰ্তৃপক্ষই বিশেষ প্ৰশিক্ষণৰ জৰিয়তে মেটেকা, তাঁতশাল আৰু কাঠৰ সামগ্ৰী নিৰ্মাণত মহিলাসকলক দক্ষ কৰি তুলিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে সীমা সুৰক্ষা অধিক শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে স্মাৰ্ট ব'ৰ্ডাৰ পৰিযোজনাৰ অন্তিম পৰ্যায় কাৰ্যকৰী কৰাৰ বাবে কাম কৰি আছে। ত্ৰিপুৰাৰ ভাৰত-বাংলাদেশ সীমান্তৰ লংকামুৰা-সীমান্ত আউট প'ষ্টত আজি অনুষ্ঠিত প্ৰহৰী সন্মিলনত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে এই পৰিযোজনা অন্তিম পৰ্যায়ত উপনীত হৈছে আৰু অহা বৰ্যত সীমা সুৰক্ষা বল তথা

সশস্ত্ৰ সীমাবলৰ আঠটা সংবেদনশীল ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ কৰা হ’ব। গৃহমন্ত্ৰী শ্ৰী শ্বাহে কয়, যে চৰকাৰে ত্ৰিপুৰা, পশ্চিমবংগ আৰু বিহাৰৰ সীমান্তৰে অবৈধ অনুপ্ৰৱেশৰ বাবে জনসংখ্যাৰ গাঁথনি সলনি হোৱাটো সহ্য নকৰে। তেওঁ কয়, যে সীমা সুৰক্ষা শক্তিশালী কৰিবলৈ সীমান্তত কাঁইটীয়া বেৰ নিৰ্মাণৰ কামত অগ্ৰাধিকাৰ দিয়া হ’ব। ত্ৰিপুৰাত নতুন আৰ্হিৰে ১১৯ কিলোমিটাৰ দীঘল কাঁইটীয়া বেৰ নিৰ্মাণ কৰা হ’ব। আজিৰ এই অনুষ্ঠানত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা, সীমা সুৰক্ষা বলৰ মহা-নিৰ্দেশক প্ৰবীণ কুমাৰ আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

সমগ্ৰ দেশৰ লগতে নগাঁও জিলাতো অহা ২৮ জুনত পলিঅ’ দিৱস উদযাপন কৰা হ’ব। সেইদিনা জিলাখনৰ সকলো চৰকাৰী চিকিৎসালয়ৰ উপৰি ৰে’লৱে ষ্টেচন, বাছ আস্থানৰ উপৰি অধিক জনসমাগম হোৱা ৰাজহুৱা স্থানসমূহত অস্থায়ী প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰি পলিঅ’ প্ৰতিষেধক প্ৰদান কৰিব। নগাঁও জিলা স্বাস্থ্য সমিতিৰ এখন সভাত আজি জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ সভাপতিত্বত জিলা প্ৰতিষেধক বিষয়া ডাঃ মুকুট ডেকাই কয়, যে ১৯৯৫ চনতে আৰম্ভ হোৱা এই অভিযানৰ ফলত ভাৰত ২০১৪ চনতে সম্পূৰ্ণ পলিঅ’মুক্ত হৈছে। অৱশ্যে চুবুৰীয়া দেশ পাকিস্তান, আফগানিস্তান আদি এতিয়াও পলিঅ’মুক্ত হ’ব নোৱাৰাৰ বাবে এইবেলি ভাৰততো একেই সময়তে পলিঅ’ প্ৰতিষেধক দিয়া হ’ব। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই পূৰ্বে পলিঅ’ প্ৰতিষেধক লোৱা বা নোলোৱা সকলো পাঁচ বছৰৰ অনুৰ্ধ শিশুক সেইদিনা মুক্তমনেৰে পলিঅ’ৰ প্ৰতিষেধক গ্ৰহণ কৰিবলৈ অভিভাৱকৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে ইয়াৰ দ্বাৰা প্ৰত্যেকে নিজে চিন্তামুক্ত হোৱাৰ লগতে সমগ্ৰ বিশ্বকে পলিঅ’মুক্ত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ লগতে বৰ্তমান ১৪ বছৰীয়া কিশোৰীসকলক বিনামূলীয়াকৈ প্ৰদান কৰি থকা এইচ পি ভি প্ৰতিষেধক নিশ্চিন্তে গ্ৰহণ কৰিবলৈ অভিভাৱকসকলৰ প্ৰতি আহ্বান জনাইছে।

ooooo

**সমাপ্ত**